# Class 12 Adv Assamese Chapter 2 মানৱ বন্দনা – চন্দ্ৰকুমাৰ আগৰৱালা

## মানৱ বন্দনা – চন্দ্ৰকুমাৰ আগৰৱালা

**পাঠ:পদ্যাংশ**

**চমু প্ৰশ্ন**

**১) 'মানৱ বন্দনা' কবিতাটিৰ অন্তৰ্নিহিত সাৰমৰ্মৰ আভাস দিয়া ।**

অথবা ,

**মানৱ বন্দনা কবিতাটিৰ মাজেৰে কবিয়ে কিদৰে মানুহৰ জয়গান গাইছে , লিখা ।**

উত্তৰঃ- 'মানৱ – বন্দনা' কবিতাটিত ৰোমান্টিক কবি চন্দ্ৰকুমাৰ আগৰৱালাই এই সংসাৰত মানুহৰ জন্ম , মৃত্যু আৰু প্ৰাণীশ্ৰেষ্ঠ মানুহৰ প্ৰকৃত কৰ্তব্য তথা মানুহৰ প্ৰতি মানুহৰ কৰ্তব্যৰ কথা উল্লেখ কৰিছে ।

এই পৃথিৱীলৈ মানুহ অহৰহ চামে চামে আহিয়েই আছে আৰু পৃথিৱীৰ পৰা সেইদৰে গৈয়েই আছে , অৰ্থাৎ পৃথিৱীত মানুহৰ অহৰহ জন্ম হৈ আছে , সেইদৰে মৃত্যুও হৈ আছে । 'ময়াপি জীৱ' হিচাপে এচাম জন্মিছে আৰু এচামৰ মৃত্যু হৈছে । পৃথিৱী জনশূন্য কেতিয়াও হোৱা নাই , সেয়ে পৃথিৱীক 'মৰত' অৰ্থাৎ মৃত্যুময় ঠাই বুলি কোৱাৰ কোনো অৰ্থ নাই , কিয়নো পৃথিৱীত জন্ম মৃত্যুৰ সোতৰ কেতিয়াও অন্ত নহয় । সেই কাৰণে মানুহে পৃথিৱীত জীয়াই থকাকেইদিন মানুহৰ কাম কৰিব লাগে – মানুহে মানুহৰ মৰম বুজিব লাগে । মানুহে মানুহৰ প্ৰতি কৰা মৰম , চেনেহ দয়াই হৈছে মানুহৰ প্ৰকৃত ধৰ্ম । এই পৃথিৱীত মানুহেই হৈছে মানুহৰ সংগ বা লগ ; – । মানুহেই হৈছে মানুহৰ বাবে শ্ৰেষ্ঠতকৈও শ্ৰেষ্ঠ — পৰম সত্য । মানুহে মানুহৰ প্ৰতি এনেভাব পোষণ কৰিলে মানুহে এই পৃথিৱীকে স্বৰ্গতকৈয়ো অধিক বুলি অনুভৱ কৰিব , এই পৃথিৱীকে নিজৰ ঘৰ বুলি ভাবিব পাৰিব । এই পৃথিৱীত মানুহৰ বাবে মানুহ বিনে আৰু কোনো নাই , মানুহৰ বাবে মানুহেই দেৱতা , মানুহেই সেৱাৰ যোগ্য । সেই কাৰণে পাদ্য – অৰ্ঘ্য লৈ মানুহে মানুহকেই পূজা – সেৱা কৰিব লাগে , অৰ্থাৎ মানুহে মানুহৰ কল্যাণৰ কাৰণে কাম কৰাটো উচিত ।

**২) 'এই যে পৃথিৱী  স্বৰ্গতো অধিক**

**মানুহৰ নিজাপি ঘৰ ।'**

— কবিয়ে কিয় , কি প্ৰসংগত এনেদৰে কৈছে ? কবিয়ে ইয়াৰ দ্বাৰা মানুহক কি উপদেশ দিব খুজিছে ?

উত্তৰঃ- এই পৃথিৱীত চামে চামে মানুহৰ জন্ম হব লাগিছে আৰু সেইদৰে চামে চামে মানুহৰ মৃত্যুও হৈ আছে । মানুহৰ পৃথিৱীলৈ এই অহা – যোৱাৰ সোতৰ কাহানিও অন্ত পৰা নাই – অন্ত নপৰে । সেই কাৰণে পৃথিৱীখন মানুহৰ 'নিজাপি ঘৰ' । মানুহৰ এই 'নিজাপি ঘৰ' পৃথিৱী মানুহে মানুহৰ প্ৰতি মৰমীয়াল হলে , দয়াশীল হলে , মানুহক দেৱতাৰ দৰে সেৱা – পূজা কৰিলে পৃথিৱীখন মানুহৰ কাৰণে স্বৰ্গতো অধিক সুখকৰ আৰু মনোৰম হৈ পৰিব । এই প্ৰসংগতে কবিয়ে এনেদৰে কৈছে আৰু সেয়ে পৃথিৱীত মানুহেই মানুহৰ লগ – সংগ , মানুহেই শ্ৰেষ্ঠতকৈয়ো শ্ৰেষ্ঠ , পৰম সত্য — মানুহবিনে সেৱাৰ যোগ্য আৰু কোনো নাই , এই কথা ভাবি সকলোকে মানুহৰ কল্যাণৰ কাৰণে সেৱা আগবঢ়াবলৈ কবিয়ে উপদেশ দিছে ।

**৩) প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা —**

ক) 'মানুহেই দেৱ  মানুহেই দেৱ

মানুহ বিনে নাই কেৱ ।'

অথবা , 'মানুহেই লগ  মানুহেই সংগ

মানুহেই পৰাৎপৰ ,

এই যে পৃথিৱী  স্বৰ্গতো অধিক

মানুহৰ নিজাপি ঘৰ ।'

উত্তৰঃ- উৰ্ধত কবিতাফাকি ৰোমান্টিক তথা 'জোনাকী যোগ'ৰ কবি চন্দ্ৰকুমাৰ আগৰৱালা ৰচিত 'মানৱ বন্দনা' কবিতাটি অন্তৰ্গত ।

এই পৃথিৱীত প্ৰাণীশ্ৰেষ্ঠ মানুহৰ শ্ৰেষ্ঠত্ব প্ৰকাশ কৰিবলৈ কবিতাফাকিত কবিয়ে এনেদৰে উল্লেখ কৰিছে ।

এই পৃথিৱীত মানুহৰ চামে চামে জন্ম আৰু মৃত্যু হব লাগিছে । পৃথিৱীৰ পৰা মানুহৰ এই সোতৰ অন্ত কোনোদিন হোৱা নাই আৰু নহয়ো । সেয়ে মানুহৰ 'নিজাপী ঘৰ' এই পৃথিৱীত মানুহেই হৈছে শ্ৰেষ্ঠতকৈয়ো শ্ৰেষ্ঠ – পৰম সত্য । সেয়ে মানুহৰ কাৰণে মানুহেই হৈছে পৰম দেৱতাস্বৰূপ আৰু একমাত্ৰ সেৱাৰ যোগ্য । মৰম – চেনেহ , প্ৰেম – প্ৰীতিৰে মানুহে মানুহৰ সেৱা – পূজা কৰিলে , অৰ্থাৎ মানুহে মানুহৰ কল্যাণৰ কাৰণে সেৱা আগবঢ়ালে , কাম কৰিলে পৃথিৱীখনেই মানুহৰ কাৰণে স্বৰ্গতো অধিক সুখকৰ হৈ পৰিব , পৃথিৱী সুখ – শান্তিৰে পৰিপূৰ্ণ হব ।

**খ) 'মানুহৰ মৰম বুজিব মানুহে**

**ধৰম যে মৰমতে ।'**

উত্তৰঃ- উৰ্ধত কবিতাফাকি জোনাকী যুগৰ প্ৰখ্যাত কবি চন্দ্ৰকুমাৰ আগৰৱালা ৰচিত 'মানৱ – বন্দনা' কবিতাটিৰ অন্তৰ্গত ।

মানুহ মানুহৰ প্ৰতি কেনে হোৱা উচিত আৰু মানুহৰণো প্ৰকৃত ধৰ্ম কি এই সম্পৰ্কে কবলৈ গৈ কবিয়ে কবিতাফাকিত এনেদৰে উল্লেখ কৰিছে ।

এই পৃথিৱীত মানুহৰ জন্ম মৃত্যুৰ অহৰহ এটি সোত বৈ আছে।এই সোতৰ কোনোদিন অন্ত হোৱা নাই।অৰ্থ্যাৎ পৃথিৱীত মানুহৰ অন্ত হোৱা নাই । গতিকে পৃথিৱীখন মানুহৰ 'নিজাপী ঘৰ'।এই নিজাপী ঘৰত অৰ্থাৎ পৃথিৱীত মানুহৰ কাৰণে মানুহেই শ্ৰেষ্টতকৈয়ো শ্ৰেষ্ঠ , পৰম সত্য। আনহাতে পৃথিৱীত মানুহেই মানুহৰ একমাত্ৰ সংগ , লগ । সেয়ে মানুহে মানুহৰ মৰম বুজিব লাগে , মানুহে মানুহৰ প্ৰতি দয়াশীল , মৰমীয়াল হব লাগে । মানুহৰ প্ৰতি মানুহৰ মৰমেই হৈছে মানুহৰ পৰম ধৰ্ম । এই ধৰ্মই দ্বাৰাই পৃথিৱীক স্বৰ্গটো অধিক সুখকৰ কৰিব পৰা যায় , পৃথিৱীক সুখ – শান্তিৰে পৰিপূৰ্ণ কৰিব পৰা যায় ।

**৪) চমু উত্তৰ দিয়া :**

**ক) আহিছে মানুহ গৈছে মানুহ**

**মানুহ মায়পী জীৱ ।**

— মানুহক 'মায়পী জীৱ' বুলি কিয় কৈছে বুজাই লিখা ।

উত্তৰঃ- এই পৃথিৱীলৈ চামে চামে মানুহ আহিছে আৰু গৈছে , অৰ্থাৎ মানুহ জন্মি আছে । আৰু মানুহৰ মৃত্যুও হৈ আছে । এই জন্ম মৃত্যু সোতৰ কোনো কোলেই অন্ত হোৱা নাই । মানুহে পৃথিৱী মোহ এৰিব নোৱাৰে । মানুহে পৃথিৱীত পৰা গুচি গলেও পৃথিৱীলৈ পুনৰ আহিছে । পৃথিৱীৰ প্ৰতি থকা মোহৰ কাৰণেই পৃথিৱীলৈ মানুহৰ এই অহা যোৱা । কবিয়ে এই কাৰণেই 'মানুহ মায়পী জীৱ' বুলি কৈছে ।

**খ) 'মায়পী জনম দিয়া উটুৱাই' — বুলি কবিয়ে কিহৰ কথা কৈছে — বুজাই লিখা ।**

উত্তৰঃ- এই পৃথিৱীত মানুহৰ সোতৰ অন্ত নাই । মানুহ আহি আছে গৈ আছে , অৰ্থাৎ চামে চামে মানো জন্মি আছে , চামে চানে মানুহ মৰি আছে । সেই কাৰণেই পৃথিৱীত মানুহ শূণ্য হোৱা নাই । মানুহেৰে পৃথিৱী পূৰ হৈয়েই আছে । মানুহৰ কাৰণে পৃথিৱী 'নিজাপী ঘৰ' । পৃথিৱীত মানুহেই মানুহৰ লগ , মানুহৰ সংগ । সেই কাৰণে মানুহে মানুহৰ মৰম বুজিব লাগে , মানুহৰ প্ৰতি মানুহৰ মৰমেই প্ৰকৃত ধৰম । মানুহে মানুহৰ কামত অৰ্থাৎ মানুহৰ কল্যাণৰ হকে কাম কৰি , মানুহৰ সেৱা কৰি জীৱন অতিবাহিত কৰিব লাগে । তেতিয়াহে পৃথিৱী স্বৰ্গতো অধিক সুখকৰ হৈ পৰিব ।

**গ) 'কৰা কৰা পূজা পাদ্য অৰ্ঘ্য লই' বুলি কবিয়ে কাক পূজা কৰাৰ কথা কৈছে বুজাই লিখা ।**

উত্তৰঃ- 'কৰা কৰা পূজা পাদ্য অৰ্ঘ্য লই' বুলি কবিয়ে মানুহে মানুহকেই পূজা কৰাৰ কথা কৈছে ।

পৃথিৱীলৈ মানুহৰ জন্ম মৃত্যুৰ এটি অহৰহ বৈ আছে । এচাম মৃত্যু হলেও এচামৰ জন্ম হৈছে । পৃথিৱীত মানুহ শূণ্য হোৱা নাই । ইয়াত মানুহৰ একমাত্ৰ সংগী হল মানুহ । মানুহৰ বাবে মানুহতকৈ শ্ৰেষ্ঠ কোনো নাই । সেয়ে মানুহে মানুহৰ প্ৰতি সতেত দয়াশীল , সহানুভূতিশীল , মৰমীয়াল হব লাগে । মানুহৰ প্ৰতি মানুহৰ মৰমেই হৈছে প্ৰকৃত ধৰম । মানুহৰ বাবে মানুহেই দেৱতা । মানুহৰ সেৱা কৰিলে অন্য দেৱ দেৱীক সেৱা কৰাৰ প্ৰয়োজন নাই । সেয়ে আন্তৰিকভাৱে পাদ্য – অৰ্ঘ্য লৈ দেৱতাক পূজা কৰাৰ দৰে মানুহক পূজা কৰাৰ কথা কবিয়ে কৈছে , অৰ্থাৎ মানুহৰ কল্যাণৰ হকে কাম কৰিবলৈ আহ্বান জনাইছে ।

**৫) অতি চমু উত্তৰ দিয়া :**

**১) চন্দ্ৰকুমাৰ আগৰৱালাৰ জন্ম কত আৰু কোন চনত হৈছিল ?**

উত্তৰঃ- তেজপুৰৰ কলং মৌজাৰ ব্ৰহ্মজানত ১৮৬৭ চনত ।

**২) চন্দ্ৰকুমাৰ আগৰৱালাৰ পিতাকৰ নাম কি আছিল ?**

উত্তৰঃ- হৰিবিলাস আগৰৱালা ।

**৩) 'জোনাকী' কাকত কোন চনত প্ৰথম প্ৰকাশ পায় ?**

উত্তৰঃ- ১৮৮৯ চনত ।

**৪) 'জোনাকী' কাকতৰ প্ৰতিষ্ঠাপক সম্পাদক কোন আছিল ?**

উত্তৰঃ- চন্দ্ৰকুমাৰ আগৰৱালা ।

**৫) সাদিনীয়া বাতৰি 'অসমীয়া' কোন চনত প্ৰথম প্ৰকাশ পায় ?**

উত্তৰঃ- ১৯১৮ চনত ।

**৬) চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বন – কুঁৱৰী' গীত কবিতাটি কত প্ৰকাশ পাইছিল ?**

উত্তৰঃ- 'জোনাকী'ৰ প্ৰথম বছৰ প্ৰথম সংখ্যাত ।

**৭) 'জোনাকী'ৰ প্ৰথম বছৰ প্ৰথম সংখ্যাত প্ৰকাশ পোৱা চন্দ্ৰকুমাৰ আগৰৱালাৰ গীত কবিতাটিৰ নাম কি আছিল ?**

উত্তৰঃ- 'বন – কুঁৱৰী' ।

**৮) চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰথম প্ৰকাশিত কাব্য পুথিখনৰ নাম কি আছিল ?**

উত্তৰঃ- 'প্ৰতিমা' ।

**৯) অসমীয়া কাব্য জগতত চন্দ্ৰকুমাৰ আগৰৱালাক কি বুলি জনা যায়?**

উত্তৰঃ- 'প্ৰতিমাৰ খনিকৰ' বুলি জনা যায় ।

**১০) চন্দ্ৰকুমাৰ আগৰৱালাৰ 'প্ৰতিমা' কাব্য পুথিখনৰ ওপৰত লক্ষ্মীনাথ বেজবৰুৱাই কি বুলি মন্তব্য কৰিছিল ?**

উত্তৰঃ- 'প্ৰতিমাখন সৰু, কিন্তু নিভাঁজ সোণ'ৰ বুলি ।

**১১) চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্য পুথিকেইখনৰ নাম লিখা ।**

উত্তৰঃ- 'প্ৰতিমা' আৰু 'বীণ বৰাগী' ।

**১২) 'মানৱ – বন্দনা' কবিতাটিৰ কবি কোন ?**

উত্তৰঃ- চন্দ্ৰকুমাৰ আগৰৱালা ।

**১৩) 'মানুহ সোতৰ অন্ত নাইকিয়া বুলিলে মৰত কিয় ? — 'মৰত' শব্দৰ অৰ্থ কি ?**

উত্তৰঃ- 'মৰত' শব্দৰ অৰ্থ — পৃথিৱী , মৰ্ত্য , মৰণৰ ঠাই ।

**১৪) 'মানুহেই পৰাৎপৰ' — 'পৰাৎপৰ' শব্দৰ অৰ্থ কি ?**

উত্তৰঃ- শ্ৰেষ্ঠতকৈয়ো শ্ৰেষ্ঠ , পৰম সত্য ।

**১৫) ' কৰা কৰা পূজা পাদ্য অৰ্ঘ্য লই — বুলি কোনে কাক পূজা কৰাৰ কথা কৈছে ?**

উত্তৰঃ- মানুহে মানুহক পূজা কৰাৰ কথা কৈছে ।

**১৬) 'প্ৰতিমাখন সৰু , কিন্তু নিভাঁজ সোণৰ ।' — কোনে এনেদৰে মন্তব্য কৰিছিল ?**

উত্তৰঃ- সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই ।

**১৭) অসমীয়া সাহিত্যত গীতি – কবিতাৰ প্ৰৱৰ্তক কোন ?**

উত্তৰঃ- চন্দ্ৰকুমাৰ আগৰৱালা ।

**১৮) শব্দাৰ্থ :-**

উত্তৰঃ- ময়াপী — মায়াময় , ভ্ৰান্তি ওপজোৱা জীৱ ।

মৰত — পৃথিৱী , মৰ্ত্য , মৰমৰ ঠাই ।

পৰাৎপৰ — শ্ৰেষ্ঠতকৈয়ো শ্ৰেষ্ঠ , পৰম সত্য ।

নিজাপী — সম্পূৰ্ণ নিজৰ , স্থায়ী ।

কেৱ — কোনে , কেও ।

*****